# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ অমৰাৱতীত ৫৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। চিকিৎসকসকলে নিদানপত্ৰত নিৰ্দিষ্ট কোম্পানীৰ ঔষধৰ পৰিৱৰ্তে জেনেৰিক ঔষধৰ নাম লিখা উচিত বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিজেপি সাংসদ সঞ্জয় জয়ছোৱালক ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে প্ৰাককলন কমিটীৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে।

৪। এপ্ৰিলত অভিলেখ পৰিমাণৰ সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টি সংগ্ৰহ হোৱা কথাটোৱে ভাৰতীয় অৰ্থ ব্যৱস্থাৰ শক্তিশালী স্থিতি আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ ফলপ্ৰসূতাক সূচাইছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা মুম্বাই ইণ্ডিয়ানছে ৰাজস্থান ৰয়েলছক ১০০ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ অমৰাৱতীত ৫৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ১৩টা ৰাষ্ট্ৰীয় ঘাইপথ আৰু ১টা ৰে'লপথ প্ৰকল্প আছে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে বিধানসভা, উচ্চ ন্যায়ালয়, সচিবালয় আৰু প্ৰশাসনিক ভৱনসহ একাধিক আন্তঃগাঁথনি প্ৰকল্প আৰু ৫ হাজাৰ ২০০টা পৰিয়ালৰ বাবে নিৰ্মাণ কৰিবলগীয়া বাসগৃহৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে নাগায়লংকাত প্ৰায় ১ হাজাৰ ৪৬০ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া ক্ষেপনাস্ত্ৰ পৰীক্ষণস্থলীৰো আধাৰশিলা স্থাপন কৰিব। উৎক্ষেপন কেন্দ্ৰ, কাৰিকৰী যন্ত্ৰিকৰণ সুবিধা, থলুৱা ৰাডাৰ, দূৰমিতি আৰু ইলেক্'ট্ৰ অপটিকেল প্ৰণালীৰে সু-সজ্জিত এই পৰীক্ষণস্থলীৰ নিৰ্মাণে দেশৰ প্ৰতিৰক্ষা প্ৰস্তুতি সুদৃঢ় কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে লগতে বিশাখাপট্টনমত মথুৰৱাড়াত প্ৰধানমন্ত্ৰী একতা মলৰ আধাৰশিলা স্থাপন কৰিব। ৰাষ্ট্ৰীয় সংহতিৰ প্ৰসাৰ, মেক ইন ইণ্ডিয়ান উদ্যমৰ প্ৰতি সমৰ্থন, এখন জিলা এবিধ সামগ্ৰী উদ্যমৰ প্ৰচাৰ আৰু প্ৰসাৰ, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি, গ্ৰামাঞ্চলৰ কাৰুশিল্পী তথা কাৰিকৰসকলৰ সৱলীকৰণ আৰু থলুৱা সামগ্ৰীৰ বাবে বজাৰ সুলভ কৰি তোলাৰ উদ্দেশ্যে এই মলটোৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাত দেশৰ প্ৰথমটো অৰ্ধ স্বয়ংক্ৰিয় বন্দৰ- ৱিঝিনজাম আন্তৰ্জাতিক বহুমুখী গভীৰ জল  সমুদ্ৰ বন্দৰ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। তিৰুৱন্তপুৰমত দেশৰ এই প্ৰথমটো কণ্টেইনাৰ পৰিবহন বন্দৰৰ উদ্বোধনৰ লগে লগে ভাৰতৰ বন্দৰ ইতিহাসত নতুন যুগৰ সূচনা হ'ব আৰু কেৰালাৰ নাম আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক মানচিত্ৰত অন্তৰ্ভুক্ত হ'ব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি বন্দৰৰ পৰিচালনা ভৱন তথা নিয়ন্ত্ৰণ ব্যৱস্থাসমূহ পৰিদৰ্শন কৰিব। ৰাজহুৱা আৰু ব্যক্তিগত অংশিদাৰিত্বৰ আহিঁত সাজু কৰা বন্দৰটোৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য ২০২৪ বৰ্ষৰ ডিচেম্বৰত সম্পূৰ্ণ হৈছিল। প্ৰায় তিনিটা দশকৰ দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত এই প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। আজিৰ উদ্বোধনী অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল বিশ্বনাথ আলেৰ্কাৰ, কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন তথা কেইবাগৰাকী ৰাজ্যিক মন্ত্ৰী উপস্থিত থাকিব।

০০০০০

চিকিৎসকসকলে নিদানপত্ৰত নিৰ্দিষ্ট কোম্পানীৰ ঔষধৰ পৰিৱৰ্তে জেনেৰিক ঔষধৰ নাম লিখা উচিত বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে। ৰাজস্থান উচ্চ ন্যায়ালয়ে ইতিপূৰ্বে অনুৰূপ ৰায় প্ৰদান কৰিছে। ভেষজ কোম্পানীসমূহৰ অসাধু বিপণন প্ৰক্ৰিয়া নিয়ন্ত্ৰণৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি কালি সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে এই ৰায় সমগ্ৰ দেশত ৰূপায়ণ কৰিলে আমূল পৰিৱৰ্তন সাধন হ'ব পাৰে। ন্যায়াধীশ সন্দীপ মেহতা, বিক্ৰম নাথ আৰু সঞ্জয় ক'ৰোলক লৈ গঠিক এখন তিনিজনীয়া বিচাৰপীঠে কয়, যে চিকিৎসকসকলে নিদান পত্ৰত জেনেৰিক ঔষধৰ নামহে লিখাৰ বাবে বিধিসন্মত নিৰ্দেশ প্ৰদান কৰিলে ঔষধ কোম্পানীসমূহে চিকিৎসকক উৎকোচ দিয়াৰ সমস্যাৰো ওৰ পৰিব। ৰাজস্থানত এই সন্দৰ্ভত ইতিমধ্যে কাৰ্যকৰী নিৰ্দেশ জাৰি কৰা হৈছে। এই নিৰ্দেশৰ জৰিয়তে চিকিৎসকসকলক জেনেৰিক ঔষধৰ নামহে লিখিবলৈ কোৱা হৈছে। চিকিৎসকসকলে কোনো বিশেষ কোম্পানীৰ ঔষধ লিখিব নোৱাৰিব বুলিও নিৰ্দেশটোত উল্লেখ আছে। ন্যায়ালয়ে এই সিদ্ধান্তই চিকিৎসা ক্ষেত্ৰত আমূল পৰিৱৰ্তনৰ সূচনা কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিজেপি সাংসদ সঞ্জয় জয়ছোৱালক ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে প্ৰাককলন কমিটীৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে। শ্ৰীবিৰলাই গঠন কৰা এই ৩০ জনীয়া কমিটীখনহৰ কাৰ্যকাল অহা বছৰ ৩০ এপ্ৰিলত অন্ত পৰিব। কমিটীখনত বিজেপিৰ লোকসভা সাংসদ পি পি চৌধৰী, ৰাজীৱ প্ৰতাপ ৰুডী, কংগ্ৰেছৰ কুমাৰী ছেলজা, দিপেন্দ্ৰ সিং হুদা, সমাজবাদী পাৰ্টীৰ অৱধেশ, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, ডি এম কেৰ দয়ানিধি মাৰাণ আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ সাংসদ অৰৱিন্দ সাৱন্তক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

শ্ৰীবিৰলাই লগতে বিজেপি সাংসদ বেইজয়ন্ত পাণ্ডাক ২০২৫-২৬ বৰ্ষৰ বাবে ৰাজহুৱা উদ্যোগ কমিটীৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে। এই ২২ জনীয়া কমিটীখনত লোকসভাৰ ১৫ গৰাকী আৰু ৰাজ্যসভাৰ ৭ গৰাকী সদস্য আছে।

০০০০০

এপ্ৰিলত অভিলেখ পৰিমাণৰ সামগ্ৰী আৰু সেৱাকৰ জি এছ টি সংগ্ৰহ হোৱা কথাটোৱে ভাৰতীয় অৰ্থ ব্যৱস্থাৰ শক্তিশালী স্থিতি আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ ফলপ্ৰসূতাক সূচাইছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে। এপ্ৰিলত মুঠ ২ লাখ ৩৬ হাজাৰ কোটি টকাৰ জি এছ টি সংগৃহীত হৈছে আৰু এই পৰিমাণ ২০২৪

বৰ্ষৰ একে সময়চোৱাৰ তুলনাত ১২ দশমিক ৬ শতাংশ অধিক। যোৱা বছৰ এপ্ৰিলত ২ লাখ ১০ হাজাৰ কোটি টকাৰ জি এছ্ টি সংগৃহীত হৈছে। এপ্ৰিলত দেশত ২ লাখ ৯ হাজাৰ কোটি টকাৰ শুদ্ধ জি এছ্ টি সংগৃহীত হয় আৰু এই পৰিমাণ ২০২৪ বৰ্ষৰ ১ লাখ ৯২ হাজাৰৰ তুলনাত ৯ দশমিক ১ শতাংশ অধিক। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সামাজিক মাধ্যম যোগে কৰদাতাসকলৰ শলাগ লৈ কৈছে, যে জি এছ্ টি ব্যৱস্থাৰ প্ৰতি তেওঁলোকৰ আস্থাই দেশৰ প্ৰগতিত নতুন গতি দিছে। তেওঁলোকৰ অৱদানে বিকশিত ভাৰত গঢ়াৰ প্ৰতিশ্ৰুতিবদ্ধতাক আগুৱাই নিয়াত সহায় কৰে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমত সীতাৰমনে লগতে সকলো ৰাজ্যৰ বিত্তমন্ত্ৰী আৰু ৰাজ্যিক জি এছ্ টি কৰ্তৃপক্ষৰ নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাৰো শলাগ লয়।

ooooo

ভাৰতীয় ৰে'লৰেই দেশজুৰি ৰে'ল ষ্টেচনসমূহত স্থাপন কৰাৰ বাবে  ডিজিটেল ঘড়ী বিকশাই তোলাৰ বাবে বিশেষ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্লেটফৰ্ম আৰু ষ্টেচনসমূহত একেধৰণৰ ডিজিটেল ঘড়ী স্থাপনৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতা পেছাদাৰী, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী তথা বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত তিনিটা শাখাৰ বাবে মুকলি কৰা হৈছে। প্ৰথম স্থানপ্ৰাপ্তগৰাকীক ৫ লাখ তথা তিনিওটা শাকাৰ পাঁচগৰাকীকৈ প্ৰতিযোগীলৈ ৫০ হাজাৰকৈ টকাৰ নিচুকনি পুৰস্কাৰ আগবঢ়োৱা হ'ব। চলিত মাহৰ শেষ ভাগলৈ প্ৰতিযোগীসকলে নিজৰ ঘড়ীৰ আৰ্হি প্ৰেৰণ কৰিব পাৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা জয়পুৰৰ ছৱাই মানছিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰাজস্থান ৰয়েলছক ১০০ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩০ ৰান কৰে। মুম্বাইৰ ট্ৰেণ্ট বোল্ট আৰু কৰ্ণ শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ ৰয়ান ৰিকেল্টনে সৰ্বাধিক ৬১ ৰান কৰে। ৰাজস্থানৰ মহিষ তিক্ষ্না আৰু ৰিয়ান পৰাগে এটাকৈ উইকেট দখল কৰে। ৰয়ান ৰিকেল্টনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইৰাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**